# Regional News Unit

## AKASHVANI, Guwahati

0000000000

**Date :** 02-06-2025
**Time :** 1715 Hrs

### *Assamese Evening Bulletin*

***- - - - - - - - - - - - - -***

বিগত কিছু দিন ধৰি ধাৰাষাৰ বৰষুণৰ পাছত আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বতৰ কিছু ফৰকাল হৈছে যদিও কেইবাখনো জিলাৰ বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। বছৰৰ প্ৰথমটো বানত ৰাজ্যখনৰ ১৯ খন জিলাৰ তিনি লাখ ৬৪ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। প্ৰশাসনে স্থাপন কৰা ৫২ টা আশ্ৰয় শিবিৰত ১০ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ৰাজ্যখনত বানৰ ফলত ১২ জন লোকে প্ৰাণ হেৰুৱাইছে। যোৱা ২৪ ঘণ্টাত বৰাক উপত্যকাৰ শ্ৰীভূমি আৰু কাছাৰ জিলাত এজনকৈ লোকৰ মৃত্যু হয়। এছ ডি আৰ এফে ধেমাজি আৰু হাইলাকান্দি জিলাৰ লগতে আন কেইবাখনো জিলাত আবদ্ধ লোকৰ উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ইপিনে বিগত ২৪ ঘণ্টাত ডিমা হাচাও আৰু শ্ৰীভূমি জিলাত ভূমিস্খলনৰ ফলত বিস্তৰ ক্ষয়ক্ষতি হৈছে।

মৰিগাঁও জিলাৰ ধৰমতোল থানাৰ অন্তৰ্গত এক নম্বৰ গোনামাৰাত আজি কলং নৈৰ সোঁতত উটি গৈ প্ৰতাপ মেধি নামৰ এজন লোকৰ মৃত্যু হয়। সোঁতে উটুৱাই নিয়াৰ কিছু সময় পাছত এছ ডি আৰ এফে অভিযান চলাই লোকজনক মৃত অৱস্থাত উদ্ধাৰ কৰে।

ooooo

কামৰূপ মহানগৰৰ জালুকবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত বানপীড়িত এলেকাসমূহৰ পশুধনৰ বাবে আজি জিলা প্ৰশাসনৰ তৰফৰ পৰা প্ৰায় ৭০০ কুইণ্টল খাদ্য বিতৰণ কৰা হয়। সমষ্টিটোৰ ধাৰাপুৰ, মাজিৰগাঁও, কেন্দুকুছি, আগচীয়া, গড়ল আৰু মিৰ্জাপুৰৰ বিভিন্ন অঞ্চলত পশু খাদ্য বিতৰণ কাৰ্যসূচীত জালুকবাৰী সমজিলাৰ আয়ুক্ত ড০ জীৱন কৃষ্ণ গোস্বামী আজাৰা ৰাজহচক্ৰৰ চক্ৰবিষয়া অপ্ৰতিম গোস্বামী আৰু বিজেপিৰ ৰাজ্যিক কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্য উপস্থিত থাকে।

ooooo

নগাঁও জিলা প্ৰশাসনে বানৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ ১১৫ খন বিদ্যালয় স্বাভাৱিক অৱস্থা ঘূৰি নহা পৰ্যন্ত বন্ধ ৰখাৰ বাবে নিৰ্দেশ জাৰি কৰিছে। জিলাখনত সাম্প্ৰতিক বানত যাতায়াত ব্যৱস্থা ব্যাহত হোৱাৰ উপৰি ভালেসংখ্যক বিদ্যালয় বানত বুৰ যোৱাৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰীসকলৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে এই নিৰ্দেশ জাৰি কৰিছে।

ooooo

গুৱাহাটী মহানগৰীত ভূমিস্খলনত মৃত্যু হোৱা মালিগাঁৱৰ ৰবীন দাস নামৰ লোকজনৰ পৰিয়ালক আজি ৰাজ্য চৰকাৰে ৪ লাখ টকাৰ চেক প্ৰদান কৰে। গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া আৰু মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে আজি মালিগাঁৱত প্ৰয়াত ৰবীন দাসৰ পত্নীৰ হাতত এই আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰে। তেওঁলোকে লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। শ্ৰীমতী মেধিয়ে পাহাৰত বসবাস কৰা লোকসকলক প্ৰতিকূল বতৰৰ সময়ত অধিক সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনায়।

০০০০০

অসমৰ দুখন ৰাজ্যসভা আসনৰ বাবে হবলগীয়া নিৰ্বাচনৰ বাবে আজি আনুষ্ঠানিক জাননী জাৰি কৰা হৈছে। এই আসন দুখনৰ বাবে অহা ১৯ জুনত নিৰ্বাচন অনুষ্ঠিত হ'ব। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মিছন ৰঞ্জন দাসৰ ছবছৰীয়া কাৰ্যকালৰ ম্যাদ অহা ১৪ জুনত অন্ত পৰিব। ১৯ জুনত হবলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনত অসমৰ দুখন আসনৰ লগতে তামিলনাডুৰ ছখন আসনৰ বাবেও নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ গড়ল তালুকবাসী ৰাইজৰ প্ৰচেষ্টাত গঢ় লৈ উঠা মা দুৰ্গা মন্দিৰৰ মণিকূট নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে এই মণিকূট নিৰ্মাণৰ বাবে ২৫ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰে। ১৯২৭ চনত স্থাপন হোৱা গড়ল তালুক নামৰ অনুষ্ঠানটোৰ শতবৰ্ষ উদযাপনৰ পূৰ্বে এই মন্দিৰৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰা হ'ব বুলি ড০ শৰ্মাই আশা প্ৰকাশ কৰে। এই অনুষ্ঠানতে তেওঁ নুমলীগড় শোধনাগাৰ লিমিটেডৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত আজাৰা অঞ্চলৰ লোকসকলে জৰুৰীকালীন সময়ত ব্যৱহাৰ কৰিব পৰাকৈ প্ৰদান কৰা এখন এম্বুলেন্স সেৱা মুকলি কৰে। মুখ্যমন্ত্ৰী শৰ্মাই ১০২ কোটি টকা ব্যয় সাপেক্ষে বৰ্তমানৰ আজাৰা চিকিৎসালয়ক জিলা চিকিৎসালয়লৈ ৰূপান্তৰৰ প্ৰচেষ্টা চলাই থকা হৈছে বুলি জানিবলৈ দিয়ে।

০০০০০

আন্তঃৰাষ্ট্ৰীয় প্ৰতিভা সন্ধানকাৰী মঞ্চ ব্ৰিটেইনছ গট টেলেণ্টত তৃতীয় স্থান দখল কৰি ৰাজ্য তথা দেশলৈ সুনাম কঢ়িয়াই অনা কাৰ্বি আংলং জিলাৰ বোকাজানৰ বিনীতা চেত্ৰীক আজি বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত অৱতৰণ কৰাৰ পাছত গুণমুগ্ধসকলে আদৰণি জনায়। এই সন্মান লাভ কৰি অতিশয় আনন্দিত বুলি সাংবাদিকৰ আগত বিনীতাই প্ৰকাশ কৰে। ইয়াৰ পাছতে তেওঁ শক্তিপীঠ কামাখ্যা ধামত উপস্থিত হৈ পূজা-অৰ্চনা আগবঢ়ায়। অসম জীয়ৰীগৰাকীৰ এই সাফল্যত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ পৰা

অপূৰ্ব নৃত্য শৈলীৰে বিচাৰক আৰু দৰ্শকক মুগ্ধ কৰা শিল্পী গৰাকীয়ে চূড়ান্ত পৰ্যায়লৈ দৰ্শকৰ মন জয় কৰিবলৈ সমৰ্থ হল বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ড০ শৰ্মাই বিনীতা চেত্ৰীক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে।

ooooo

সমাপ্ত